## অসমৰ ষ্টাৰ্ট আপ খণ্ডত অভিযন্তা সূৰ্য প্ৰকাশ বৰঠাকুৰ, সুদৰ্শন ডেকাৰ সফলতা

# উদ্ভাৱনী প্ৰযুক্তিৰে চাহ খণ্ডত বৈপ্লৱিক পৰিৱৰ্তন ‘দিৰৈ টি’ৰ



■ **ৰূপ ফুকন ঃ** বিগত সময়ছোৱাত জলবায়ু পৰিবৰ্তন, উৎপাদন হ্ৰাস, শ্ৰমিকৰ নাটনি, উৎপাদন ব্যয় বৃদ্ধি আদি বিভিন্ন সমস্যাই সংকটত পেলাইছে চাহ উদ্যোগটোক। এনে সংকটৰ সময়ত অসমৰ এটা ষ্টাৰ্টআপে চাহ উৎপাদন প্ৰক্ৰিয়াক উদ্ভাৱনীমূলক প্ৰযুক্তিৰ মাধ্যমেৰে নতুন ৰূপ দিবলৈ সক্ষম হৈছে। পৰিবেশ অনুকূল কাৰ্বনমুক্ত চাহ উৎপাদনৰ নতুন পদ্ধতিৰে চাহ উদ্যোগটোত বৈপ্লৱিক পৰিবৰ্তন আনিবলৈ সক্ষম হোৱা এই ষ্টাৰ্টআপটো হৈছে ‘দিৰৈ টি’। ২০১৮ চনত দুগৰাকী বাল্যকালৰ বন্ধু সূৰ্য প্ৰকাশ বৰঠাকুৰ আৰু সুদৰ্শন ডেকাই তিনি বছৰীয়া বিস্তৃত বজাৰ গৱেষণাৰ অন্তত স্থাপন কৰিছিল এই ষ্টাৰ্টআপটো। সৰুৰে পৰা একেলগে অধ্যয়ন কৰা দুয়োগৰাকী বন্ধুৰ যুটীয়া প্ৰচেষ্টাত গঢ় লৈ উঠা দিৰৈ ইন'ভেছ্নছ প্ৰাইভেট লিমিটেডে শেহতীয়াকৈ উদ্ভাৱনীমূলক চাহ সংসাধিকৰণ প্ৰযুক্তি পেটেণ্ট পঞ্জীয়ন লাভ কৰিছে। প্ৰতিষ্ঠাপক সুদৰ্শন ডেকা পেছাত মেকানিকেল ইঞ্জিনীয়াৰ আৰু সূৰ্য প্ৰকাশ বৰঠাকুৰ ইলেক্ট্ৰ'নিকছ ইঞ্জিনীয়াৰ। দুয়োগৰাকী যুৱকে দিৰৈ টিৰ যোগেদি চাহৰ স্বাস্থ্যৰ উপকাৰিতাৰ মাধ্যমেৰে গ্ৰাহকক কাৰ্বনমুক্ত চাহ যোগানৰ পৰিকল্পনাৰে এই ষ্টাৰ্টআপটোৰ জন্ম দিয়ে। মৰাণত ফেক্টৰী থকা ষ্টাৰ্টআপটোৱে কাৰ্বনমুক্ত চাহ প্ৰযুক্তি ব্যৱহাৰ কৰি উৎপাদিত চাহ বজাৰলৈ যোগান ধৰি আহিছে। এই সন্দৰ্ভত দিৰৈ চাহৰ সহ-





প্ৰতিষ্ঠাপক সূৰ্য প্ৰকাশ বৰঠাকুৰে কয় যে আনব্লেণ্ডেড চাহ উৎপাদনৰ ক্ষেত্ৰত থকা তেওঁলোকৰ প্ৰযুক্তিয়ে পেটেণ্ট লাভ কৰাটোৱে উৎসাহিত কৰিছে ষ্টাৰ্টআপটোক। ২০২৪ চনৰ ২১ জুনত তেওঁলোকে এই পেটেণ্ট লাভ কৰে। ষ্টাৰ্টআপটোৱে লাশ্ব গ্ৰীন টি আৰু আছাম হেৰিটেজ ব্লেক টি উৎপাদন কৰি গ্ৰাহকক যোগান ধৰি আহিছে। এই দুয়োবিধ চাহ হৈছে অসমৰ উন্নতমানৰ চাহপাতৰ পৰা প্ৰস্তুত কৰা এশ শতাংশ প্ৰাকৃতিক আৰু অমিশ্ৰিত পাতৰ চাহ। কাৰ্বনমুক্ত চাহ সংসাধিকৰণ প্ৰযুক্তি ব্যৱহাৰ কৰি প্ৰস্তুত কৰাৰ বাবে এই চাহ কাৰ্বন নিৰ্গমণৰ সংস্পৰ্শলৈ নাযায়। যাৰ ফলত এই চাহৰ সুগন্ধি অটুট থাকে। দিৰৈ চাহ উৎপাদনৰ বাবে কেৱল কোমল দুটা পাত ব্যৱহাৰ কৰা হয়। চাহ গছৰ আটাইতকৈ পুষ্টিকৰ অংশ ব্যৱহাৰ কৰি প্ৰস্তুত কৰা আছাম হেৰিটেজ ব্লেক টিত প্ৰচুৰ হাৰত প্ৰাকৃতিক উপাদান থাকে। এই চাহত চেনি নাইবা গাখীৰ সংমিশ্ৰণৰ প্ৰয়োজন নাই। চাহ প্ৰস্তুত কৰাৰ বাবে প্ৰয়োজনীয় চাহপাত ছিঙাৰ প্ৰক্ৰিয়া সাধাৰণ প্ৰক্ৰিয়াতকৈ পৃথক। ষ্টাৰ্টআপটোৰ সৈতে জড়িত হৈ আছে বহু ক্ষুদ্ৰ চাহ উদ্যোগী। এই চাহ উদ্যোগীসকলৰ পৰা তেওঁলোকে উৎপাদিত চাহ ক্ৰয় কৰি আনি প্ৰযুক্তিৰ মাধ্যমেৰে গ্ৰাহকৰ বাবে উপযোগী কৰি তোলে। চাহ ক্ৰয়ৰ বাবদ ক্ষুদ্ৰ উদ্যোগীসকলক বজাৰ মূল্যতকৈ প্ৰায় তিনিগুণ অধিক মূল্য প্ৰদান কৰে দিৰৈ চাহে। সহ-প্ৰতিষ্ঠাপকগৰাকীয়ে কয় যে তেওঁলোকৰ উদ্দেশ্য হৈছে উদ্ভাৱনৰ জৰিয়তে অসম আৰু ভাৰতৰ অন্যান্য ৰাজ্যৰ গ্ৰাহকে যাতে উন্নত মানৰ স্বাস্থ্যসন্মত চাহৰ সোৱাদ ল'ব পাৰে। শেহতীয়াকৈ তেওঁলোকে মুকলি কৰিছে উলুং টি নামৰ এবিধ বিশেষ চাহ। আংশিকভাৱে অক্সিডাইছ্ এই চাহত এটা মিঠা সোৱাদ আৰু এৰ'মা থাকে। টোকোলাই চাহ গৱেষণা কেন্দ্ৰই প্ৰকাশ কৰা অনুসৰি শেহতীয়া গৱেষণাত দিৰৈ চাহৰ গ্ৰীন টিত ২০.১৫ শতাংশ কেটেচিন উপাদান থকাৰ তথ্য পোৱা গৈছে। এই কেটেচিন উপাদান হৈছে প্ৰাকৃতিক এণ্টি অক্সিডেণ্ট। ইয়াৰ স্বাস্থ্যসন্মত গুণাগুণৰ বাবে ব্যৱহাৰৰ যথেষ্ট উপযোগী বুলি বিবেচিত হৈছে। দিৰৈ চাহত পলিফেনল নামৰ প্ৰাকৃতিক এণ্টি অক্সিডেণ্ট উপাদান থাকে। তেওঁলোকৰ দ্বাৰা চাহ প্ৰস্তুত প্ৰক্ৰিয়াত যথেষ্ট সাৱধানতাৰে চাহপাত শুকুৱা হয়। যাৰবাবে চাহপাতত পলিফেনল উপাদান থাকি যায়। অনলাইন প্ৰতিষ্ঠান এমাজন, অ' এন ডি চি আৰু ৱেবছাইটত উপলব্ধ দিৰৈ টিৰ চাহ। চাহ ব্যৱসায় সন্দৰ্ভত সূৰ্য প্ৰকাশ বৰঠাকুৰে কয় যে চাহ খণ্ডটো উন্নয়নৰ বাবে ষ্টাৰ্টআপৰ প্ৰয়োজনীয়তা যথেষ্ট বেছি। সাধাৰণতে চাহ উদ্যোগ বুলিলে বিশাল চাহ বাগিচা আৰু বৃহৎ ফেক্টৰীক বুজা যায়। কিন্তু অসমত সৰু সৰু ষ্টাৰ্টআপ আৰু ক্ষুদ্ৰ চাহ উদ্যোগী আছে যিয়ে চাহ খণ্ডক লৈ নতুন উদ্ভাৱনেৰে পৰিবৰ্তন কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। যিদৰে ক্ষুদ্ৰ চাহ খেতিয়কসকলৰ অৱদান গুৰুত্বপূৰ্ণ সেইদৰে ষ্টাৰ্টআপসমূহৰ প্ৰয়োজনীয়তাও যথেষ্ট বৃদ্ধি হৈছে। চাহ উদ্যোগটোক দীৰ্ঘকালীন সময়লৈ কাৰ্যক্ষম কৰি ৰাখিবলৈ হ'লে উদ্ভাৱনীমূলক প্ৰযুক্তিৰ প্ৰয়োজন বুলিও তেওঁ কয়।